# Prime Minister participates in the first Outreach Session of G7 Summit

## জি-৭ সন্মিলনৰ প্ৰথম আউটৰীচ্চ অধিৱেশনত অংশগ্ৰহণ কৰিলে প্ৰধানমন্ত্ৰীয়ে

**জুন 12, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে জি-৭ সন্মিলনৰ প্ৰথম আউটৰীচ্চ অধিৱেশনত আজি অংশগ্ৰহণ কৰে৷

"স্বাস্থ্য সেৱা-আৰু অধিক শক্তিশালী ৰূপত গঢ়ি তোলা" শীৰ্ষক অধিৱেশনত ক'ৰোনা ভাইৰাছ মহামাৰীৰ পৰা সমগ্ৰ বিশ্বক ৰোগমুক্ত আৰু ভৱিষ্যতে যিকোনো মহামাৰীৰ বিৰুদ্ধে যুঁজক শক্তিশালী কৰাৰ বিষয়টোক লৈ আলোচনা হয়৷

অধিৱেশনত প্ৰধানমন্ত্ৰীয়ে ভাৰতত বৰ্তমান ক'ভিড সংক্ৰমণৰ যি লহৰ চলি আছে, তাৰ প্ৰতিৰোধত জি-৭ আৰু অন্যান্য অতিথি ৰাষ্ট্ৰই আগবঢ়োৱা সহযোগিতাৰ প্ৰশংসা কৰে৷

তেওঁ ভাৰতত এই মহামাৰীৰ বিৰুদ্ধে যুঁজত সমগ্ৰ সমাজৰ ঐক্যবদ্ধ হোৱাৰ উদ্যোগৰ সন্দৰ্ভত উল্লেখ কৰে৷ চৰকাৰ, উদ্যোগ সংস্থা আৰু সভ্য সমাজক সকলো স্তৰত ঐক্যবদ্ধ হৈ এই যুঁজ দি আহিছে।

সংক্ৰমিত লোকসকলৰ সংস্পৰ্শলৈ অহা লোকসকলক চিহ্নিত কৰা আৰু টিকাকৰণৰ ব্যৱস্থাপনাৰ বাবে ডিজিটেল প্ৰক্ৰিয়াক ভাৰতে সফলভাৱে ব্যৱহাৰ কৰিছে বুলি সদৰি কৰে প্ৰধানমন্ত্ৰীয়ে৷ অন্যান্য উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতে এই অভিজ্ঞতা আৰু দক্ষতা ভাগ কৰাৰ প্ৰতি উৎসাহী।

প্ৰধানমন্ত্ৰীয়ে বিশ্বজুৰি স্বাস্থ্য সেৱাৰ উন্নয়নত সামহিক প্ৰচেষ্টাৰে ভাৰতৰ সমৰ্থনৰ কথা উল্লেখ কৰে৷ ক'ভিড প্ৰতিৰোধত প্ৰয়োজনীয় প্ৰযুক্তিৰ ক্ষেত্ৰত ট্ৰিপছ সংক্ৰান্তীয় বিষয়ত ৰেহাই পোৱাৰ বাবে বিশ্ব বাণিজ্য সংস্থাত ভাৰত আৰু দক্ষিণ আফ্ৰিকাই যি প্ৰস্তাৱ আনিছে, তাত তেওঁ জি-৭ গোষ্ঠীভুক্ত দেশসমূহৰ সমৰ্থন বিচাৰে৷

এই বৈঠকৰ জৰিয়তে সমগ্ৰ বিশ্বৰ বাবে "এক বিশ্ব, এক স্বাস্থ্য ব্যৱস্থা" বাৰ্তা প্ৰচাৰ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে৷

ভৱিষ্যতে যি কোনো মহামাৰীৰ বিৰুদ্ধে যুঁজত আন্তৰ্জাতিক স্তৰত ঐক্য, নেতৃত্ব আৰু সহমৰ্মিতাৰ আহ্বান জনাই এই বিষয়ত গণতান্ত্ৰিক আৰু স্বচ্ছ সমাজ ব্যৱস্থাৰ বিশেষ দায়িত্বৰ ওপৰ প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে৷ প্ৰধানমন্ত্ৰীয়ে জি-৭ সন্মিলনৰ অন্তিম দিনা অৰ্থাৎ কাইলৈ দুখন অধিৱেশনত অংশগ্ৰহণ কৰিব৷

**নতুন দিল্লী**
**জুন 12, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.